বিবৃতিটোত উল্লেখ কৰিছে।

# নাকৰ দলে পৰিদৰ্শন কৰিব কানৈ কলেজ

ডিব্ৰুগড়, ৩১ জানুৱাৰী ঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত নাকৰ তিনিজনীয়া এক দলে ২ আৰু ৩ ফেব্ৰুৱাৰীত পৰিদৰ্শন কৰিব। উল্লেখ্য যে প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে মহাবিদ্যালয়সমূহে নাকৰ দ্বাৰা মূল্যায়ন কৰায়। ইয়াৰ অংশ হিচাপে তৃতীয় বাৰৰ বাবে কানৈ মহাবিদ্যালয়ক নাকৰ পৰিদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। নাকৰ দলে মহাবিদ্যালয়খন পৰিদৰ্শন কৰাৰ বাবে মহাবিদ্যালয়খন সকলো দিশতে সাজু কৰি তুলিছে। ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকাকে ধৰি মহাবিদ্যালয় পৰিয়ালৰ প্ৰতিজনে নাকৰ দলৰ আগমনক কেন্দ্ৰ কৰি দলটোক আদৰিবৰ বাবে সাজু হৈছে। দুদিনীয়া পৰিদৰ্শনৰ এইসময়ছোৱাত নাকৰ দলটোৱে মহাবিদ্যালয়খনৰ বিগত পাঁচ বছৰৰ শিক্ষাৰ অগ্ৰগতি, আন্তঃগাঁথনি, প্ৰযুক্তি, প্ৰতিভা বিকাশ, গৱেষণাকে ধৰি সকলো দিশ পৰীক্ষা কৰিব।